**"মৰমৰ সন্তানসকল – তোমালোক পিতাৰ ওচৰলৈ নিজৰ উচ্চ ভাগ্য গঢ়িবলৈ আহিছা, যিমানে শ্ৰীমতত চলিবা সিমানে উচ্চ ভাগ্য গঢ় ল'ব"**

প্ৰশ্ন: ভক্তিৰ কোনটো অভ্যাস এতিয়া তোমালোক সন্তানসকলৰ থকা অনুচিত?

উত্তৰ: ভক্তিত অলপ দুখ হ'লে, বেমাৰ হ'লে তেতিয়া ক'ব হে ৰাম, হে ভগৱান, হায়! হায়! কৰাৰ অভ্যাস ভক্তিত থাকে। এতিয়া তোমালোকে মুখেৰে কেতিয়াও এনেকুৱা কথা উচ্চাৰিত কৰিব নালাগে। তোমালোকেতো ভিতৰি মৰমৰ বাবাক মৰমেৰে স্মৰণ কৰিব লাগে।

গীত: তকদীৰ জগাকৰ আই হুঁ...... (ভাগ্য উদয় কৰি আহিছোঁ......)

ওঁম্ শান্তি। প্ৰত্যেক মনুষ্যই পুৰুষাৰ্থ কৰে – সুখ আৰু শান্তিৰ ভাগ্য গঢ়িবলৈ। সাধু-সন্ত, সন্ন্যাসী আদিয়ে কয়, আমাক শান্তিৰ প্ৰয়োজন। দুখ হৰণ কৰা, সুখ দিয়া। তেওঁলোকে বুজি পায় – ভগৱানহে মনুষ্য মাত্ৰৰ দুখ-হৰ্তা, সুখ-কৰ্তা। এতিয়া ভগৱানক মনুষ্যইতো নাজানে? তোমালোকেতো শিৱবাবা বুলি কোৱা। ব্ৰহ্মা, বিষ্ণু, শংকৰক বাবা বুলি কোৱা নহয়। তেওঁলোকতো দেৱতা। ভগৱানকহে বাবা বুলি কয়, তেওঁ নিৰাকাৰ, যাৰ পূজা কৰে। এইটো জানে যে শিৱবাবা সকলোৰে। কিন্তু এইটো খেয়াল নচলে যে আমি বাবা বুলি কিয় কওঁ। বাবাতো এজন লৌকিকৰো আছে – এওঁ আকৌ কেনেধৰণৰ পিতা! এই আত্মাই কয় – তেওঁ নিৰাকাৰ পিতা। তেৰোঁ নিৰাকাৰ, আমি আত্মাও নিৰাকাৰ। সাকাৰ বাবা থকা সত্বেও আত্মাই সেই পিতাক নাপাহৰে। ঈশ্বৰ হৈছে পিতা, আমি তেওঁৰ সন্তান। ইয়াত পৰমপিতা বুলি কয়। ইংৰাজীত কয় – গড ফাদাৰ, ছুপ্ৰিম ছ'ল, সকলোতকৈ উচ্চ। লৌকিক পিতাতো শৰীৰৰ ৰচয়িতা আৰু তেওঁ হ'ল পাৰলৌকিক পিতা। পিতাইহে বহি সন্তানসকলক বুজায়। পিতাক স্মৰণ কৰে – কিয়নো পিতাৰ পৰা উত্তৰাধিকাৰ পোৱা যায়। তোমালোক পিতাৰ ওচৰলৈ আহিছাই উত্তৰাধিকাৰ ল'বলৈ। দুখ-হৰ্তা, সুখ-কৰ্তা পিতাহে আহি সুখৰ ৰাস্তা দেখুৱায়। আকৌ তাত দুখৰ নাম-চিহ্ন নাথাকে। ইয়াততো বহুত দুখ হয় নহয়, সকলোৱে মিনতি কৰে। এতিয়াতো জগতত বহুত দুখ আহিবলগীয়া আছে। কোনোবা মৰিলে, তেতিয়া কিমান দুখী হয়। 'হায় ভগৱান'বুলি কৈ কান্দে। তেৱেঁই কল্যাণকাৰী পিতা। গায়ন কৰে তেন্তে নিশ্চয় দুখ হৰণ কৰিছে সুখ দিছে নহয়। পিতাই আহি বুজায় – সন্তানসকল, তোমালোক কল্পই কল্পই যেতিয়া বহুত দুখী পতিত হৈ যোৱা তেতিয়া মিনতি কৰা, হে বাবা আহা। মই কল্পই কল্পই সংগমত আহোঁৱেই। পাৱন জগতৰ আদি আৰু পতিত জগতৰ অন্তক সংগম বুলি কোৱা হয়। এই এটাই সংগমযুগৰ গায়ন কৰা হয়। পিতা আহে সকলোৰে জ্যোতি জগাবলৈ, দুখ হৰণ কৰি সুখ দিবলৈ। তোমালোকে জানা – আমি পাৰলৌকিক পিতাৰ ওচৰলৈ আহিছোঁ, যিজন পিতা এওঁ (ব্ৰহ্মা)ৰ শৰীৰত প্ৰৱেশ কৰি আহিছে। তেওঁ নিজেই কয় – মই এওঁৰ শৰীৰত প্ৰৱেশ কৰি এওঁৰ নাম ব্ৰহ্মা ৰাখোঁ। তোমালোক সকলো হৈছা ব্ৰহ্মাকুমাৰ আৰু কুমাৰী। তোমালোকৰ এইটো নিশ্চয়তা আছে যে আমি ব্ৰহ্মাৰ সন্তান হৈছোঁ – পিতাৰ পৰা সুখৰ উত্তৰাধিকাৰ ল'বলৈ। তোমালোক সন্তানসকলৰহে সুখ আছিল, যেতিয়া এই লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল। এতিয়া হ'ল কলিযুগ, দুখধাম। তাৰপাছত আকৌ সত্যযুগ আহিব। বিশ্বৰ বুৰঞ্জী-ভূগোল পুনৰাবৃত্তি হয় নহয়। সত্যযুগত পুনৰ এই লক্ষ্মী-নাৰায়ণৰে ৰাজ্য লাগে। এই চক্ৰ পুনৰাবৃত্তি হৈয়ে থাকে। পিতাই বুজাইছে – তোমালোক নৰকবাসী হৈছা, এতিয়া পুনৰ স্বৰ্গবাসী হ'ব লাগে। তোমালোক দেৱী-দেৱতাসকলৰ বহুত সৰু বৃক্ষ আছিল এতিয়া তোমালোকৰ স্মৃতি উদয় হৈছে, আমিয়েই 84 জন্ম লৈছোঁ। আমি গোটেই বিশ্বৰ মালিক আছিলোঁ, আকৌ পুনৰ্জন্ম লৈ আহিছোঁ। এতিয়া তোমালোকৰ 84 জন্মৰ অন্তৰো অন্ত। জগতখন নতুনৰ পৰা পুৰণি নিশ্চয় হ'ব। নতুন জগত পাৱন আছিল, এতিয়া পুৰণি পতিত জগত। কিমান দুখী কঙাল। ভাৰত বহুত চহকী আছিল। পৱিত্ৰ গৃহস্থ আশ্ৰম আছিল। পৱিত্ৰ প্ৰবৃত্তি মাৰ্গ আছিল, সম্পূৰ্ণ নিৰ্বিকাৰী আছিল, সৰ্বগুণ সম্পন্ন, 16 কলা সম্পূৰ্ণ আছিল। এই কথাবোৰ শাস্ত্ৰত নাই। শাস্ত্ৰ হ'ল ভক্তিমাৰ্গৰ বাবে। ভক্তিৰেই ৰীতি-প্ৰথা তাত আছে। পিতাক লগ পোৱাৰ ৰাস্তা শাস্ত্ৰৰ পৰা পোৱা নাযায়। বুজিও পায় – ভগৱান ইয়ালৈ আহিব লাগে আকৌ তাত গৈ পোৱাৰতো কথাই নাই। যজ্ঞ, তপ আদি কৰা – সেয়া কোনো ৰাস্তা নহয়। ভগৱানক আহ্বানেই জনায় – আহা, আহি ৰাস্তা দেখুওৱা। আমি আত্মা তমোপ্ৰধান হৈ গৈছোঁ, যাৰ বাবে উৰিব নোৱাৰোঁ অৰ্থাৎ পিতাৰ ওচৰলৈ যাব নোৱাৰোঁ। এনেয়েতো আত্মাই এটা শৰীৰ এৰি অন্য এটা শৰীৰ লয়। ক'ৰপৰা ক'লৈ গুচি যায়। আমেৰিকালৈও যাব পাৰে। কোনোবাৰ কাৰোবাৰ লগত সম্বন্ধ থাকিলে তেতিয়া আত্মা তৎক্ষণাৎ ছেকেণ্ডত তালৈ উৰিব। বাকী উৰি নিজৰ ঘৰলৈ উভতি যাব, এয়া হ'ব নোৱাৰে। পতিত তালৈ যাব নোৱাৰে, সেইবাবে মিনতি কৰে, হে পতিত-পাৱন আহা। পিতা যেতিয়া আহে তেতিয়া আহি বুজায় – মই আহোঁৱে তেতিয়া, যেতিয়া গোটেই জগতখন পতিত হয়। পতিত জগতত

এজনো পাৱন নাই। মনুষ্যই ভাবে – গংগা পতিত-পাৱনী, সেইবাবে স্নান কৰিবলৈ যায়। কিন্তু পানীৰ দ্বাৰাতো কোনো পাৱন হ'ব নোৱাৰে। পুৰণি জগতখন হয়েই পতিত, নতুন জগতখন পাৱন। এতিয়া তোমালোক বেহদৰ পিতাৰ পৰা উত্তৰাধিকাৰ ল'বলৈ আহিছা। তোমালোক পুণ্য আত্মা হ'ব লাগে। তোমালোক আত্মা সতোপ্ৰধান আছিলা তোমালোকেই এতিয়া তমোপ্ৰধান হৈছা। গংগা স্নানেৰে কোনেও সতোপ্ৰধান নহ'ব। পতিতক পাৱন কৰি তোলা – এয়াতো পিতাৰহে কাম। বাকী সেই পানীৰ নদীতো সকলো ঠাইতে আছে। মেঘৰ পৰা পানী বৰষে, সকলোৱে পায়। যদি পানীৰ নদীয়ে পাৱন কৰি তোলে, তেতিয়াতো সকলোকে পাৱন কৰি দিব। পাৱন হোৱাৰ যুক্তি পিতাহে আহি এওঁ (ব্ৰহ্মা)ৰ দ্বাৰা শুনায়। এওঁৰ নিজৰ আত্মা আছে। পিতাই কয় – মোৰ নিজৰ শৰীৰ নাই। কল্পই কল্পই তোমালোকক বুজাবলৈ এওঁৰ শৰীৰতে আহোঁ। তোমালোকে নিজৰ জন্মক নাজানা। কল্পৰ আয়ুস লাখ লাখ বছৰ বুলি কৈ দিয়ে।

পিতাই কয় – এয়া 84 জন্মৰ চক্ৰ। 5 হাজাৰ বছৰত 84 লাখ জন্ম কোনেও ল'ব নোৱাৰে। সেয়েহে পিতাই বুজায় – স্বৰ্গত তোমালোক 16 কলা সম্পূৰ্ণ আছিলা আকৌ 2 কলা কম হ'ল তাৰপাছত লাহে লাহে কম হৈ গৈ থাকে। নতুন জগতখনেই আকৌ পুৰণি হয়। দ্বাপৰ কলিযুগক পতিত জগত বুলি কোৱা হয়। এই কথাবোৰ কোনো শাস্ত্ৰত নাই। মোকেই জ্ঞানৰ সাগৰ বুলি কয়। মই জানো কোনো শাস্ত্ৰ পঢ়োঁ? মই এই সৃষ্টিৰ আদি-মধ্য-অন্তক জানো। ভক্তিমাৰ্গসকলৰ এই জ্ঞান থাকিব নোৱাৰে। সেই সকলোবোৰ হ'ল ভক্তিৰ জ্ঞান। গায়নো কৰে, আমি পাপী, নীচ। আমাৰ কোনো গুণ নাই। নিজে দয়া কৰক..... এওঁ (ব্ৰহ্মা)ৰ ওপৰত দয়া কৰিলে তেতিয়া মনুষ্যৰ পৰা দেৱতা হ'ল, ইয়াকে কোৱা হয় উচ্চতকৈও উচ্চ ভাগ্য। স্কুললৈ ভাগ্য গঢ়িব যায়। কোনোবা জজ, কোনোবা ইঞ্জিনিয়াৰ হয়। সেয়া হ'ল বিকাৰী ভাগ্য, ইয়াত তোমালোকৰ ঈশ্বৰৰ দ্বাৰা ভাগ্য গঢ়া হয়, সেইবাবে মিনতি কৰে – দুখ-হৰ্তা সুখ-কৰ্তা, দেৱতা কৰি তুলিবলৈ পিতাৰ বাহিৰে আন কোনেও পঢ়াব নোৱাৰে। পিতাই বহি আত্মাসকলৰ লগত কথা পাতি আছে। আত্মাই কয় – এয়া মোৰ শৰীৰ। শৰীৰেতো নক'ব, মোৰ আত্মা। শৰীৰৰ ভিতৰত আত্মা আছে, আত্মাই কয় – এয়া মোৰ শৰীৰ। মনুষ্যই কয় – মোৰ আত্মাক দুখী নকৰিবা। আত্মা শৰীৰত নাথাকিলে তেতিয়া কথা ক'বও নোৱাৰে। আত্মাই কয় – মই এটা শৰীৰ ত্যাগ কৰি অন্য এটা লওঁ। আমি নিশ্চয় 84 জন্ম ভোগ কৰিছোঁ, নৰকবাসী হৈছোঁ। এতিয়া পুনৰ তোমালোক স্বৰ্গবাসী হোৱাৰ পুৰুষাৰ্থ কৰি আছা। স্বৰ্গবাসীতো পিতাইহে কৰি তুলিব। স্বৰ্গ বুলি কোৱা হয় সত্যযুগক। এয়া যি কয় – অমুক স্বৰ্গবাসী হ'ল, এয়া মিছাকৈ কয়। এয়াতো নৰক। কোনোবা মৰিলে তেতিয়া কয় – স্বৰ্গলৈ গ'ল তেন্তে আকৌ নৰকলৈ কিয় মাতে যে আহি খাদ্য খোৱা। স্বৰ্গততো তেওঁলোকে বহুত বৈভৱ পায় তেন্তে তোমালোকে নৰকলৈ কিয় মাতা? মনুষ্যৰ ইমানখিনিও বোধশক্তি নাই। পিতাই বহি বুজায় – এতিয়া এই কলিযুগ সমাপ্ত হ'ব, ইয়াত জুই লাগিব। এই সকলোবোৰ নাশ হৈ যাব। তোমালোক সন্তানসকল যিসকলে পিতাৰ পৰা উত্তৰাধিকাৰ লোৱা, সেইসকলে সত্যযুগত আহি ৰাজত্ব কৰিবা। এই লক্ষ্মী-নাৰায়ণক এই উত্তৰাধিকাৰ কোনে দিলে? পিতাই। তোমালোক এতিয়া পিতাৰ দ্বাৰা যোগ্য হৈ আছা। তোমালোকে ক'বা – আমি নৰকবাসীৰ পৰা স্বৰ্গবাসী হৈ আছোঁ। পিতাই কয় – মই স্বৰ্গবাসী নহওঁ। মইতো পৰমধামত থাকোঁ। নৰকবাসী-স্বৰ্গবাসী তোমালোক হোৱা। আত্মাৰ নিবাস স্থান হৈছে শান্তিধাম আকৌ তোমালোক সুখধামলৈ আহা। এয়া হয়েই দুখধাম, ইয়াৰ এতিয়া বিনাশ হ'ব। এয়া কোনেও নাজানে যে ভগৱান ব্ৰহ্মাৰ শৰীৰত আহি ৰাজযোগ শিকায়। তেওঁলোকে ভাবে যে শ্ৰীকৃষ্ণ আহিল, শ্ৰীকৃষ্ণৰ শৰীৰৰ দ্বাৰা বুলিও নকয়। শ্ৰীকৃষ্ণক ভগৱান বুলি ক'ব নোৱাৰি। তেওঁতো বিশ্বৰ মালিক। মুক্তিদাতা সকলোৰে এজন, তেওঁ হ'ল চুপ্ৰিম আত্মা, পৰম আত্মা। জগতত কোনো সৎসংগ নাই, য'ত এনেকৈ ভাবিব যে আমি পিতাৰ পৰা স্বৰ্গৰ উত্তৰাধিকাৰ লওঁ। পতিতৰ পৰা পাৱন কৰি তোলোঁতাতো এজনেই পিতা। পিতাই কয় – মই তোমালোকৰ সঁচা গুৰু, তোমালোকক পাৱন কৰি তোলোঁ। বাকী গংগাৰ পানীয়ে পাৱন কৰি তুলিব নোৱাৰে। এয়া হয়েই পাপাত্মাসকলৰ জগত। যিয়েই নকৰক ছিৰি অৱনমিত হ'বই লাগে। সতোপ্ৰধানৰ পৰা তমোপ্ৰধান হ'বই লাগে। তোমালোকে ভক্তি নকৰা। হায়! ৰাম বুলিও নোকোৱা। তেওঁতো তোমালোকৰ পিতা হয়, তোমালোকক পঢ়াই আছে। হে ভগৱান আহা, হে ৰাম বুলিও ক'ব নালাগে। কিন্তু বহুতৰে এইটো অভ্যাস হৈ গৈছে সেয়েহে শব্দটি ওলাই যায়। তোমালোকক পিতাই কয় – মোক স্মৰণ কৰা তেতিয়া বিকৰ্ম বিনাশ হ'ব আৰু তোমালোক মোৰ ওচৰলৈ আহি যাবা। স্মৰণ এজনকে কৰিব লাগে।

পিতাই কয় – এয়া তোমালোকৰ অন্তিম জন্ম। এতিয়া উত্তৰাধিকাৰ ল'লা মানে ল'লা, পাছত কেতিয়াও পাব নোৱাৰা। পিতাই বুজাইছে, এয়া যি নিজকে হিন্দু বুলি কয়, তেওঁলোক প্ৰকৃততে দেৱী-দেৱতা ধৰ্মাৱলম্বীৰ। খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলে কেতিয়াও নাম সলনি নকৰে। তমোপ্ৰধান হ'লেও তথাপিও খ্ৰীষ্টান ধৰ্মৰে হয়। তোমালোক দেৱী-দেৱতা হোৱা কিন্তু পতিত হোৱা বাবে নিজক হিন্দু বুলি কৈ দিয়া, নিজক দেৱতা বুলি ক'ব নোৱাৰা। এইটো পাহৰি গৈছা যে আমি প্ৰকৃততে দেৱী-দেৱতা আছিলোঁ। নিজক দেৱতা ধৰ্মৰ বুলি কোনেও নকয় কিয়নো বিকাৰী হয়। এয়া হ'ল দেহ-অভিমান।

সন্তানসকলক বহুত ভালদৰে বুজোৱা হয়। ইয়াত কোনো সাধু-সন্ত আদি নাই। মই বেপাৰী, অমুক – এই সকলোবোৰ হ'ল দেহ-অভিমান। এতিয়া তোমালোক দেহী-অভিমানী হ'ব লাগে। দেহী-অভিমানী হোৱাতে পৰিশ্ৰম হয়। তোমালোকে পিতাৰ পৰা উত্তৰাধিকাৰ ল'বলৈ হ'লে পিতাক স্মৰণ কৰিব লাগে। কাম কৰি যোৱা, অন্তৰেৰে মিত্ৰক (পিতাক) স্মৰণ কৰা.....। তোমালোক সকলো এজন প্ৰেমিকৰ প্ৰেমিকা। সকলোৰে সংগতিদাতা এজন প্ৰেমিক। তেওঁ তেতিয়াই আহে যেতিয়া সকলোৱে সংগতি লাভ কৰে, স্বৰ্গৰ স্থাপনা হয়, দুখৰ নাম-চিহ্ন নাইকিয়া হৈ যায়। এতিয়া তোমালোক সন্তানসকল ইয়ালৈ আহিছা – বেহদৰ পিতাৰ পৰা 21 জন্মৰ বাবে সৰ্বদা স্বৰ্গৰ সুখৰ উত্তৰাধিকাৰ পাবলৈ। আন কোনো মনুষ্য মাত্ৰেই কাকো স্বৰ্গৰ মালিক কৰি তুলিব নোৱাৰে। শিৱবাবা ভাৰততে আহি ভাৰতক স্বৰ্গ কৰি তোলে। শিৱ জয়ন্তীও পালন কৰে কিন্তু পাহৰি গৈছে যে বাবাৰ পৰা আমি স্বৰ্গৰ উত্তৰাধিকাৰ লাভ কৰোঁ। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ সৈতে মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পঢ়াৰ আধাৰত নিজৰ ভাগ্য উচ্চ কৰি গঢ়িব লাগে, মনুষ্যৰ পৰা দেৱতা হ'ব লাগে। পাৱন হৈ ঘৰলৈ উভতি যাব লাগে আকৌ নতুন জগতলৈ আহিব লাগে।

(2) হাতেৰে কাম কৰি – এজন পিতাৰ স্মৃতিত থাকিব লাগে। কোনো ওলোটা কথা শুনিবও নালাগে, শুনাবও নালাগে।

**বৰদান:**

সদায় নিজৰ পৱিত্ৰ স্বৰূপত স্থিৰ হৈ গুণৰূপী মুকুতা গ্ৰহণ কৰোঁতা পৱিত্ৰ হংস হোৱা

তোমালোক পৱিত্ৰ হংসৰ স্বৰূপ হৈছে পৱিত্ৰ আৰু কৰ্তব্য হৈছে সদায় গুণৰূপী মুকুতা গ্ৰহণ কৰা। অৱগুণ ৰূপী পাথৰ কেতিয়াও বুদ্ধিয়ে যাতে স্বীকাৰ নকৰে। কিন্তু এইটো কৰ্তব্য পালন কৰিবৰ বাবে সদায় এটা আজ্ঞা যাতে স্মৃতিত থাকে যে বেয়া চিন্তন কৰিব নালাগে, বেয়া শুনিব নালাগে, বেয়া চাব নালাগে, বেয়া ক'ব নালাগে... যিয়ে এইটো আজ্ঞা সদায় স্মৃতিত ৰাখে তেওঁ সদায় সাগৰৰ দাঁতিত থাকে। হংসৰ ঠিকনাই হৈছে সাগৰ।

**শ্লোগান:** চলোঁতে-ফুৰোঁতে ফৰিস্তা স্বৰূপত থকা - এয়াই পিতা ব্ৰহ্মাৰ অন্তৰ-পছন্দ উপহাৰ।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত**:** সদায় অচল**,** অটল আৰু একৰস স্থিতিৰ অনুভৱ কৰা

সদায় অটল-অটল হৈ থকাৰ বাবে স্ব-উন্নতি আৰু সেৱাৰ উন্নতিত সদায় ব্যস্ত হৈ থাকা আৰু সকলোৰে প্ৰতি শুভ ভাৱনা ৰাখা। সম্বন্ধৰ আধাৰত ভূমিকা নহয়, সেৱাৰ সম্বন্ধৰে ভূমিকা পালন কৰা। দ্বিতীয়তে, বিনাশী সাধনসমূহক আলম্বন বা আধাৰ কৰি নল'বা। এয়া সকলো সেৱাৰ প্ৰতি নিমিত্তহে। সেৱাৰ অৰ্থে কামত ব্যৱহাৰ কৰিলা আৰু উৰ্দ্ধত গুচি গ'লা। সাধনৰ আকৰ্ষণত মন আকৰ্ষিত হোৱা অনুচিত।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]